প্ৰশ্ন ঃ- ১৭ ক'ত প্ৰমাণ আছে যে, ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু তথা তমগুণ শংকৰ (শিৱ) ৰ পূজা (ভক্তি) কৰিব নালাগে ?

উত্তৰ ঃ- শ্ৰীমদভাগৱত গীতা অধ্যায় ৭ শ্লোক ১২ ৰপৰা ১৫ তথা গীতা অধ্যায় ৯ শ্লোক ২৩-২৪, গীতা অধ্যায় ৭ শ্লোক ১২-২৫ ত প্ৰমাণ আছে যে যিসকলে ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ ৰ ভক্তি কৰে, তেওঁলোক ৰাক্ষস স্বভাৱক ধাৰন কৰা মনুষ্যত নীচ দূষিত কৰ্ম কৰোতা মূৰ্খয় মোৰ ওঁ পূজা নকৰে। (এই প্ৰমাণ গীতা অধ্যায় ৭ শ্লোক ১২-১৫ ত আছে। আকৌ গীতা অধ্যায় ৭ ৰ শ্লোক ২০-২৩ তথা গীতা অধ্যায় ৯ শ্লোক ২৩-২৪ ত একে প্ৰমাণ, কৈছে যে ক্ষৰ-পুৰুষ অক্ষৰ-পুৰুষ তথা পৰম অক্ষৰ-পুৰুষ গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ ত যাৰ বৰ্ণণা আছে।) ক এৰি শ্ৰীব্ৰহ্মা শ্ৰীবিষ্ণু তথা শ্ৰীশিৱ অন্য দেৱতা গণ্য কৰা হয়। এই দুয়োটা অধ্যায় (গীতা অধ্যায় ৭ তথা ৯) ত উপৰত লিখা শ্লোকত গীতা জ্ঞান দাতায় কৈছে যে, যি সাধক যি উদ্দেশ্যৰে দেৱতাৰ পূজা কৰে, তেখেতসকলক ভগৱান বুলি জানি পূজা কৰে। এই দেৱতা সকলক মই কিছু শক্তি প্ৰদান কৰিছো। দেৱতাক পূজা কৰা সকলক মোৰ দ্বাৰা চলোৱা বিধানত কিছু লাভ নিশ্চয় হয়। কিন্তু তেওঁলোকৰ সেই ফল লাভবান হয়। দেৱতাক পূজা কৰা সকল দেৱতাৰ লোকলৈ যায়। মোক পূজা কৰা সকলে মোক প্ৰাপ্ত হয়।

গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত কোৱা আছে যে, শাস্ত্ৰবিধি ত্যাগকৰি যি সাধক মনেসজা আচৰণ কৰে অৰ্থাৎ যি দেৱতা, পূৰ্ব্বপুৰুষ, য়ক্ষ ভৈৰৱ-ভূত আদিৰ ভক্তি কৰে আৰু মনোকলপিত মন্ত্ৰ ৰ জপ কৰে, তেখেতক কোনোধৰনৰ সূখ নহয়, সিদ্ধি নহয় তথা তেখেতৰ গতি অৰ্থাৎ মোক্ষ ওঁ নহয়। এই কাৰনে তোমাৰ বাবে হে অৰ্জুন কৰ্ত্তব্য (যি ভক্তি কৰিব লাগে) আৰু অকৰ্তব্য (যি ভক্তি কৰিব নালাগে) ৰ ব্যৱস্থা বাবে শাস্ত্ৰই প্ৰমাণ হয়। গীতা অধ্যায় ১৭ শ্লোক ১ ত অৰ্জুনে সুধিছিল যে হে কৃষ্ণ! (কিয়নো অৰ্জুনে মানিলৈছে যে শ্ৰী কৃষ্ণই গীতা জ্ঞান শুনাই আছে কিন্তু শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰেতৰত প্ৰৱেশ কৰি কাল (ব্ৰহ্ম) এ জ্ঞান দি আছিল যিটো আগতে প্ৰমাণিত কৰা হৈছে।) যিসকল ব্যক্তিয়ে শাস্ত্ৰবিধিক ত্যাগ কৰি অন্য দেৱী দেৱতা আদিক পূজা কৰে, তেওঁলোকৰ স্বভাৱ কেনেকোৱা হয়। গীতা জ্ঞান দাতাই উত্তৰ দিলে যে, সাৎৱিক ব্যক্তি সকলে দেৱতাৰ পূজা কৰে। ৰাজসী ব্যক্তিয়ে

যক্ষ আৰু ৰাক্ষসক পূজা কৰে তথা তামসী ব্যক্তিয়ে প্ৰেত আদিৰ পূজা কৰে। এই সকলো শাস্ত্ৰবিৰুদ্ধ কৰ্ম হয়। আকৌ গীতা অধ্যায় ১৭ শ্লোক ৫-৬ ত কোৱা হৈছে যে, যিসকল মনুষ্য শাস্ত্ৰবিধি ৰহিত কেৱল মনকলপিত কৰা ঘোৰ তপ ও তপস্যা কৰে, তেওঁ দম্ভ (মিছা জেদ) কৰি আছে আৰু শৰীৰৰ কমলত বিৰাজমান শক্তিসমূহক তথা মোকওঁ ক্লেশ (দূখ দিয়া) কৰোঁতা ৰাক্ষস স্বভাৱৰ অজ্ঞানী বুলি জানা। সূক্ষ্মবেদত ও পৰমেশ্বৰে কৈছে যে ঃ-

কবীৰ মাই মসানী সেড় শীতলা ভৈৰৱ ভূত হনুমন্ত। পৰমাত্মা সে ন্যাৰা ৰহে জো ইনকো পূজন্ত।।
ৰাম ভজে তো ৰাম মিলে, দেৱ ভজে সো দেৱ। ভুত ভজে সো ভূত ভৰে সোনোসকল সুৰ ভৱ।।

স্পষ্ট হৈ গ'ল যে শ্ৰীব্ৰহ্মা (ৰজগুণ) শ্ৰীবিষ্ণু (সৎগুণ) তথা শ্ৰীশিৱ (তমগুণ)ৰ পূজা (ভক্তি) কৰিব নালাগে তথা ইয়াৰ লগতে ভূত, পূৰ্বপুৰুষ/পিতৃগণ পূজা (শ্ৰাদ্ধ, তিলনী, দহা, তেৰদিনীয়া পিণ্ডদান সকলো প্ৰেতৰেই পূজা হয়।) ভৈৰৱ আৰু হনুমানৰ ওঁ পূজা কৰিব নালাগে।

**(পুথি "গীতা তোমাৰ জ্ঞান অমৃত" ৰ কিছু অংশ)**

প্ৰশ্ন-৪৪ (ধৰ্মদাস মহাশয়ৰ) ঃ- কি পূৰ্ণ মোক্ষ প্ৰাপ্তিৰ বাবে ভগবান বিষ্ণুৰ তথা ভগবান শংকৰৰ পূজা ত্যাগকৰিব লাগে ?

উত্তৰ ঃ- (জিন্দা বাবাৰ) - এই প্ৰভুসকলক এৰিব নালাগে, মাত্ৰ এওঁলোকৰ আদৰ হে কৰিব লাগে।

প্ৰশ্ন ৪৫ (ধৰ্মদাসৰ)ঃ- হে জিন্দা বাবা! মই বুজিব পৰা নাই ? এই বিষ্ণু আৰু শংকৰ প্ৰভূক আদৰা কৰা আৰু পূজা এৰি দিয়াটো মোৰ ঠেক বুদ্ধিৰে মই ধৰিব পৰা নাই। মই অজ্ঞানী প্ৰাণী। কৃপা কৰি বিতংভাৱে মোক বুজাই দিয়ক।

উত্তৰ ঃ- (জিন্দা মহাত্মাৰ) হে ধৰ্মদাস মহাশয়! আপুনি এওঁলোকৰ সাধনা শাস্ত্ৰবিধি ত্যাগ কৰি মনেসজা আচৰন কৰি আছে। যাৰফলত আপুনাক লাভ প্ৰাপ্তি হোৱা নাই। এই দেৱতা সকলৰ পৰা লাভ প্ৰাপ্ত কৰা সাধনা মন্ত্ৰ মোৰ লগত আছে। যেনেকৈ ম'হক আমি ম'হ ম'হ কৰি মাতিলে মাতোতাৰ ফালে ঘূৰি নাচাব। তাৰ বাবে এক বিশেষ শব্দৰ মাত যেনে "হোৰ হোৰ" থাকে, এই মাতেৰে ম'হক মাতিলে তৎক্ষনাত প্ৰভাৱিত হৈ মাত দিয়াজনলৈ ঘূৰি চাব আৰু তেওঁৰ ফালে অগ্ৰহৰ হৈ আহিব। ঠিক একেদৰেই এই দেৱতাসকলৰো নিজ মন্ত্ৰ থাকে। যাৰ উচ্চাৰনত দেৱতা সকলে পূৰ্ণ লাভ তৎক্ষনাত দিয়ে। প্ৰিয় পাঠক বৃন্দ! সেই মন্ত্ৰ মোৰ লগত (সন্ত ৰামপাল দাস) ৰ লগত আছে, যিটো পৰমেশ্বৰে গুৰু মহাশয়ৰ মাধ্যমেৰে মোক প্ৰদান কৰিছে। আহক আৰু প্ৰাপ্ত কৰি আত্ম কল্যান কৰক।

যেনেকৈ আপুনাক কোৱা হৈছিল যে, এই সংসাৰ এজোপা বৃক্ষ বুলি জানিবা। পৰম অক্ষৰ-পুৰুষ ইয়াৰ শিপা বুলি ধৰিলোৱা অক্ষৰ-পুৰুষ গা-গছ বুলি জানা, ক্ষৰ-পুৰুষ শকত ডাল তথা তিনি দেৱতা (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু তথা তমগুণ শিৱ) এই সংসাৰুপী বৃক্ষৰ শাখা ডাল বুলি জানিবা আৰু পাত ৰূপ সংসাৰ হয়।

যদি আপুনি আমৰ পুলি লৈ আহে, তেন্তে গাঁত খান্দি তাৰ শিপাত মাটিৰে হেঁচি হেঁচি টানকৈ ৰুই গুৰিত পানী দিব। সেই পুলিক যত্ন কৰি আপডাল কৰিলে সময়ত ডাঙৰ হৈ গছৰ ডালত ফল ধৰিব। সেইবাবে বৃক্ষৰ শাখাসমূহ সমূলি ভাঙি পেলাব নোৱাৰি। কিন্তু ডালবিলাকক শিপাৰ স্থানত মাটিত পুতি পানী সাৰ আদিওঁ দিব নোৱাৰি। ঠিক এনেদৰেই সংসাৰৰূপী বৃক্ষৰ অৰ্থাৎ পৰম অক্ষৰ

ব্ৰহ্মক ইষ্ট ৰূপত প্ৰতিষ্ঠিত কৰি পূজা কৰিলে শাস্ত্ৰানুকূল সাধনা হয় যিয়ে পৰম লাভ প্ৰদান কৰে। এই প্ৰকাৰে কৰা ভক্তি কৰ্মৰ ফল এই তিনি দেৱতাই (সংসাৰ বৃক্ষৰ শাখাসমূহ) কৰ্ম অনুসৰি প্ৰদান কৰে। এই কাৰনে এওঁলোকৰ পূজা এৰিব লাগে। কিন্তু এওঁলোকক আদৰ কৰা এৰিব নোৱাৰে। এই একে প্ৰমাণ শ্ৰীমদভাগৱত গীতা অধ্যায় ৩ শ্লোক ৮-১৫ ত আছে। কোৱা আছে যে ঃ- হে অৰ্জুন! তুমি শাস্ত্ৰ বিহিত কৰ্ম কৰা অৰ্থাৎ শাস্ত্ৰত যেনেকৈ ভক্তি কৰিবলৈ কোৱা হৈছে তেনেকুৱা ভক্তি কাৰ্য্য কৰা। যদি ঘৰ ত্যাগ কৰি জঙ্গলত যোৱা অৰ্থাৎ তুমি কৰ্ম সন্যাসী হৈ যোৱা অথবা এক স্থানত বহি হঠ যোগ সাধনা কৰা তেতিয়া তোমাৰ শৰীৰ পোষনৰ নিৰ্বাহ নহব। এই কাৰনে কৰ্ম নকৰাৰ অপেক্ষ কৰ্ম কৰি কৰি ভক্তি কৰ্ম কৰাটো শ্ৰেষ্ঠ হয়। (গীতা অধ্যায় ৩ শ্লোক ৮)

যি সাধকে শাস্ত্ৰবিধি ত্যাগকৰি মনেসজা আচৰন কৰে অৰ্থাৎ শাস্ত্ৰানুকূল ভক্তি কৰ্মৰ অতিৰিক্ত বেলেগ কৰ্মত লাগি মনুষ্য সমুদায় কৰ্মৰ বন্ধনত বন্ধক হৈ জন্ম মৃত্যুৰ চক্ৰত সদায় থাকে। এইকাৰনে হে কুন্তি পুত্ৰ অৰ্জুন! শাস্ত্ৰবিৰুদ্ধ ভক্তি কৰ্ম যিসকলে কৰি আছে তাৰ পৰা আসক্তি ৰহিত হৈ শাস্ত্ৰানুকূল ভক্তি কৰ্ম কৰা। (গীতা অধ্যায় ৩ শ্লোক ৯)

সংসাৰৰ ৰচনা কৰা কূলৰ মালিকে (প্ৰজাপতি)এ সৰ্বপ্ৰথম মনুষ্যৰ ৰচনা কৰি লগে লগে যজ্ঞ বা ধাৰ্মীক অনুষ্ঠানৰ জ্ঞান দি তেওঁলোকক কৈছিল যে, তোমালোকে এনেদৰেই কোৱা শাস্ত্ৰানুকূল কৰ্মৰ দ্বাৰা বৃদ্ধি হোৱা বা উন্নত হোৱা। এনেদৰে শাস্ত্ৰানুকূল কৰা ভক্তি তোমালোকক ইচ্ছা কৰা ধৰনে ভোগ প্ৰাপ্ত কৰাব। (গীতা অধ্যায় ৩ শ্লোক ১০)

এইদৰে শাস্ত্ৰানুকূল ভক্তিৰ দ্বাৰা অৰ্থাৎ সংসাৰ ৰূপী বৃক্ষৰ শিপা (মূল অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মা)ক সাৰ পানী অৰ্থাৎ পূজা কৰি দেৱতা সকল অৰ্থাৎ সংসাৰ ৰূপী বৃক্ষৰ শিপা অৰ্থাৎ মূল মালিক (পৰম অক্ষৰ ব্ৰহ্ম)ক ইষ্ট ৰূপত প্ৰতিষ্ঠিত কৰি ভক্তি কৰ্মৰ দ্বাৰা ডাঙৰ হোৱা শাখা বিলাক (তিনিও দেৱতা) তোমালোকে নিবিছৰাকৈ কৰ্ম অনুসৰি ইচ্ছা কৰা ভোগ নিশ্চয় প্ৰদান কৰি থাকিব। যেনেকৈ আমৰ পুলি শিপাত সাৰ পানী দিয়াত পুলি ডাঙৰ হ'ল আৰু গছ হৈ শাখা উন্নত হ'ল। সেই উন্নত শাখা সমূহত নিজেই ফল ধৰিব। পূৰ্ঠ ফলবিলাক সৰি পৰিব, ব্যক্তিক কৰ্মানুসৰি ধন প্ৰাপ্ত হয় সেইটো উপৰোক্ত বিধিৰে হয়। যদি কোনো ব্যক্তি সেই দেৱতা (শাখা) দ্বাৰা দিয়া ধনৰ পৰা পুনৰ দান পূন্য নকৰে অৰ্থাৎ যি পুনৰ শাস্ত্ৰানুকূল সাধনা ধাৰ্মীক কাৰ্য্য নকৰে; কেৱল নিজৰ পেটৰ পুহ পাল কৰে, স্বয়ং ভূগি থাকে। সেইজনক পৰমাত্মাৰ চুৰ বুলি কোৱা হয়। (গীতা অধ্যায় ৩ শ্লোক ১২)

শাস্ত্ৰানুকূল ভক্তিবিধিত সৰ্বপ্ৰথমে পৰমাত্মাক ভোগ প্ৰসাদ উচ্ছৰ্গা কৰা হয়। ভোজন কৰোতে প্ৰথমে পৰম অক্ষৰ ব্ৰহ্মক ইষ্ট ৰূপত পূজা কৰি ভোগ প্ৰসাদ উচ্ছৰ্গা কৰি শেষ ভোজন ভক্ত সকলক বিতৰন কৰা হয়। সেই অৱশিষ্ট অনুক সৎসঙ্গত উপস্থিত পূন্য আত্মা সকলে খায়। কিয়নো পূন্যআত্মাসকলে হে পৰমাত্মাৰ বাবে সময় উলিয়াই ধাৰ্মীক অনুষ্ঠানত অংশ গ্ৰহন কৰে। এই কাৰনে কোৱা হয় যে, সেই যজ্ঞৰ ৰাহি হোৱা অন্ন-খোৱা সৎসঙ্গী সকলো পাপৰ পৰা মুক্ত হয়। যিসকল পাপী লোক আছে, তত্বদৰ্শী সন্তৰ সৎসঙ্গত নাহে, তেওঁলোকৰ জ্ঞানওঁ নহয়। সেই পাপাত্মই নিজৰ শৰীৰ ভৰন-পোষনৰ বাবে ভোজন ৰান্ধে। তেওঁলোকে পাপ হে খায়; কিয়নো ভোজন খোৱাৰ আগত আমি ভক্ত বৈষ্ণৱৈ পৰম অক্ষৰ ব্ৰহ্মক ভোগ প্ৰসাদ নিবেদন বা উচ্ছৰ্গা কৰো, যাৰ ফলত ভোজন খিনি পৱিত্ৰ প্ৰসাদ হৈ যায়, যি সকলে এনে নকৰে, তেওঁলোক পৰমাত্মাৰ চুৰ হয়। ভগবানক উচ্ছৰ্গা নকৰা ভোজন পাপৰ

ভোজন হয়। এইকাৰনে কোৱা হয় যে, শাস্ত্ৰানুকূল ধৰ্মীয় কাৰ্য্য নকৰাসকল পাপৰ অংশীদাৰ হয়। (গীতা অধ্যায় ৩ শ্লোক ১৩)

সম্পূৰ্ণ প্ৰাণী অন্নৰ পৰা উৎপন্ন হয়। অন্ন বৰষুনৰ পৰা হয়। বৰষুন যজ্ঞ অৰ্থাৎ শাস্ত্ৰানুকূল ধাৰ্মীক অনুষ্ঠানৰে হয়। যজ্ঞ অৰ্থাৎ ধাৰ্মীক অনুষ্ঠান শাস্ত্ৰানুকূল কৰ্মৰে হয়। (গীতা অধ্যায় ৩ শ্লোক ১৪)

কৰ্মটো ব্ৰহ্ম অৰ্থাৎ ক্ষৰ পুৰুষৰ পৰা উৎপন্ন হৈছে, কিয়নো য'ত সৰ্বপ্ৰাণী সনাতন পৰম ধামত থাকে, তাত কৰ্ম নকৰাকৈ সৰ্ব সুখ আৰু পদাৰ্থ উপলব্ধ থাকে। তাত থকা প্ৰাণীসকল ভূলক্ৰমে ক্ষৰ পুৰুষৰ লগত আহিছে। এতিয়া সকলোকে কৰ্মৰ ফলহে প্ৰাপ্ত হয়। কৰ্ম কৰি জীৱন নিৰ্বাহ হয়। সেইকাৰনে কৰ্মক ব্ৰহ্ম (ক্ষৰ পুৰুষৰ) পৰা উৎপন্ন জানা আৰু ব্ৰহ্মক অবিনাশী পৰমাত্মাই উৎপন্ন কৰা বুলি জানা। এই প্ৰমান অথৰ্ববেদ কাণ্ড নং ৪ অনুবাক ১ মন্ত্ৰ ৩ ত ওঁ আছে। "ব্ৰহ্মঃ ব্ৰহ্মানঃ উজ্জভাৰ" অৰ্থাৎ (ব্ৰহ্মনঃ) সচ্চিদানন্দ্ৰ ঘন ব্ৰহ্ম = পৰম অক্ষৰ পুৰুষ এ (ব্ৰহ্ম) ব্ৰহ্মৰ (উজ্জভাৰ) উৎপন্ন কৰিছে।

(দ্ৰঃ - গীতা অধ্যায় ৩ ৰ ১৪ শ্লোকত অক্ষৰ শব্দৰ অৰ্থ অবিনাশী ঠিক আছে। কিন্তু যত ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ তথা পৰম অক্ষৰ পুৰুষৰ বৰ্ণনা আছে, তাত অক্ষৰ পুৰুষ আৰু ক্ষৰ পুৰুষ উভয়ক নাশৱান বুলি কোৱা হৈছে, তাত অক্ষৰ শব্দৰ অৰ্থ সেইটোৱাই ঠিক আছে। গীতা অধ্যায় ১৬-১৭ত বৰ্ণনা আছে, ইয়াত অক্ষৰৰ অৰ্থ অবিনাশী পৰমাত্মা হয়। কিয়নো সৃষ্টি ৰচনাৰ পৰা স্পষ্ট হয় যে ব্ৰহ্মৰ উৎপত্তি সৎপুৰুষৰ (অবিনাশী পৰমাত্মাৰ) দ্বাৰা হৈছিল। ইয়াৰ পৰাই প্ৰমানিত হয় যে, (সৰ্বগতম ব্ৰহ্ম) অৰ্থাৎ যিজন পৰমাত্মা সৰ্ব ব্ৰহ্মাণ্ডত বিৰাজমান থাকে, যি সকলোৰে জনক সেই পৰমাত্মা সদায় যজ্ঞ অৰ্থাৎ ধাৰ্মীক অনুষ্ঠানত প্ৰতিষ্ঠিত হয়। ভাৱাৰ্থ এইয়ে যে, পৰম অক্ষৰ ব্ৰহ্মক ইষ্টদেৱ ৰূপত প্ৰতিষ্ঠা কৰি ধাৰ্মিক অনুষ্ঠান অৰ্থাৎ যজ্ঞ কৰিলে শাস্ত্ৰানুকুল ভক্তিৰ লাভ প্ৰাপ্ত হয়, যাৰ ফলত মোক্ষ প্ৰাপ্ত হয়।

পৃষ্ঠা-২২ চাওঁক, ইয়াত গছপুলিক উভতাই ডাল-পাত ফালে গাতত পুতি লগোৱা দেখুৱা হৈছে যে যিটোনেকি তিনিওঁ দেৱতা (ৰজগুন ব্ৰহ্মা, সতগুন বিষ্ণু, তমগুন শিৱ)ৰ যিকোনো দেৱতাৰ পূজা কৰে, এইটো হ'ল শাস্ত্ৰবিধি ত্যাগ কৰি মনেসজা আচৰন কৰাহে হ'ব। এনে আচৰনবোৰ গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ত অনুচিত তথা ব্যৰ্থ বুলি কোৱা হৈছে। যিজনে সৰ্বগতম ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মৰ পূজা নকৰে, তেখেতক ইষ্টৰূপত নামানে যাৰ বাবে সেই সাধকৰ সাধনা ব্যৰ্থ হয়। ডাল-পাতত জলসিঞ্চন কৰিলে গছ পুলি নষ্ট হৈ যাব। অন্য দেৱ-দেৱীক পূজা কৰা গীতা অধ্যায় ৭ শ্লোক (১২-১৫) (২০-২৩) তথা গীতা অধ্যায় ৯ শ্লোক (২৩-২৪) ত নিষিদ্ধ কৰা আছে।

চাওঁক এই চিত্ৰ পৃষ্ঠা ২৩ ত পোনপটিয়াকৈ লগোৱা গছপুলি, যি শাস্ত্ৰবিধি অনুসৰি সাধনা হয় যাৰ দ্বাৰা মোক্ষ প্ৰাপ্তি হয়। এই একে প্ৰমাণ গীতা গ্ৰন্থতো আছে।

এইকাৰনে হে ধৰ্মদাস! শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু তথা শ্ৰীশিৱ দেৱক এৰাই চলিব নালাগে। তেওঁলোকৰ শাস্ত্ৰবিৰুদ্ধ পূজা ইষ্টৰূপত কৰাটো বাদ দিব লাগে। তেতিয়াহে ভক্তৰ পূৰ্ণমোক্ষ সম্ভৱ হয়।


পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ
গীতা অধ্যায় নং - ১৫
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
মূল শিপা
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্ৰহ্ম)
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
বিষ্ণু (শাখা ডাল)
শিব
ব্ৰহ্মা
শাস্ত্ৰবিৰুদ্ধ
সাধনা
অৰ্থাৎ ওলোটাকৈ ৰোপন কৰা ভক্তি ৰূপী গছ


ব্ৰহ্মা
শিব
গীতা অধ্যায় নং - ১৫
বিষ্ণু
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্ৰহ্ম)
কবীৰ পৰমেশ্বৰ
(মূল শিপা)
শাস্ত্ৰানুকুল
সাধনা
অৰ্থাৎ সীধা ৰোপন কৰা ভক্তি ৰূপী গছ

প্ৰশ্ন-৪৬ ঃ- (ধৰ্মদাসৰ) হে জিন্দা সন্ত! আপুনি ত্ৰিদেৱ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ)ৰ ভক্তি কৰা সকলৰ স্থিতি শ্ৰীমদভাগৱত গীতা অধ্যায় ৭ শ্লোক ১২ ৰপৰা ১৫,২০ ৰ পৰা ২৩ তথা অধ্যায় ৯ শ্লোক (২৩-২৪)ত প্ৰতক্ষ্য প্ৰমাণ কৰি দিলে যে, তিনিগুণৰ (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ)ৰ ভক্তি কৰাসকল ৰাক্ষক স্বভাৱক ধাৰন কৰা মনুষ্যত নীচ দূষিত কৰ্ম কৰা মূৰ্খই মই (গীতা জ্ঞানদাতা ব্ৰহ্মা)ৰ ওঁ পূজা নকৰে। অন্য দেৱ-দেৱীৰ পূজা কৰা সকলৰ সুখৰ সময় (স্বৰ্গৰ সময়) খন্তেকিয়া হয়। স্বৰ্গ প্ৰাপ্তি কৰি শীঘ্ৰেই পৃথিৱীত জন্ম ধাৰণ কৰে। হে মহাত্মা মহোদয়! অনুগ্ৰহ কৰি আপুনি সংহাৰত হোৱা এনে এটা দৃষ্টান্ত দিয়ক যাৰ দ্বাৰা আপুনি কোৱা সকলো কথাৰ সত্যতাৰ প্ৰমাণ পাব পাৰি।

তিনি দেৱৰ পূজাৰীসকলে এনে কাৰুকাৰ্য্য কৰে ঃ-

"হিৰন্যকশিপুৰ কথা"

উত্তৰ ঃ- (জিন্দা জগদীচ কবীৰ দেৱৰ) ঃ-

১. ৰজগুণ ব্ৰহ্মাৰ উপশনা কৰাৰ চৰিত্ৰ ঃ- এজন হিৰন্যকশিপু ব্ৰাহ্মন ৰজা আছিল। কোনো কাৰন বশত তেখেতৰ ভগৱান বিষ্ণুৰ (সতগুণ) সৈতে ইৰ্ষা হ'ল। সেই ৰজাই ৰজগুণ ব্ৰহ্মা দেৱৰ ভক্তি কৰি প্ৰসন্ন কৰিছিল। শ্ৰী ব্ৰহ্মাই পূজাৰীজনক বৰ প্ৰসন্ন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু বৰৰ বাবে ভিক্ষা খুজিবলৈ কলে। হিৰন্যকশিপুয়ে মাগিলে যে, মই ৰাতিপুৱা মৰো না সন্ধ্যামৰু, বাহিৰত মৰু না ভিতৰত মৰু, দিনত মৰু না ৰাতি মৰু, নে আকাশত মৰু না পৃথিৱীত মৰু, না মানবৰ দ্বাৰা মৰু না পশু-পক্ষীৰ দ্বাৰা মৰু। শ্ৰী ব্ৰহ্মাই তথাস্তো বুলি বৰদান দিলে। ইয়াৰ পিছত হিৰন্যকশিপুয়ে নিজক অমৰ বুলি ভাৱি ল'লে আৰু নিজৰ নাম জাপ কৰিবলৈ কব ধৰিলে। যিসকলে বিষ্ণুৰ নাম জপ কৰিছিল তেওঁলোকক মাৰিছিল। তেখেতৰ পুত্ৰই বিষ্ণু ভগৱানৰ ভক্তি পূজা কৰিছিল। তেওঁক বহুবাৰ কোৱা হৈছিল। হে ধৰ্মদাস! কথাৰ দ্বাৰা আপুনি পূৰ্ণৰূপে পৰিচিত হয়। ভাৱাৰ্থ হয় যে, ৰজগুণ ব্ৰহ্মাৰ ভক্ত হিৰন্যকশিপুক ৰাক্ষক বুলি কোৱা হ'ল আৰু কুকুৰৰ দৰে মৃত্যু প্ৰাপ্ত হ'ল।

-ঃ ৰাৱন তথা ভস্মাচূৰৰ কথা ঃ-

২. তমগুণ শিৱৰ উপাসকসকলৰ চৰিত্ৰ ঃ- লংকাৰ ৰজা ৰাৱনে তমগুণ শিৱৰ ভক্তি কৰিছিল। তেখেতে নিজৰ সাধনৰ বলত ৩৩ কোটি দেৱতাক বন্দীকৰি ৰাখিছিল। সীতা দেৱীক ও অপহৰণ কৰিছিল। ৰাৱনৰ কি অৱস্থা হ'ল, আমাৰ সকলোৰে জ্ঞাত। তমগুণ শিৱৰ উপাসক ৰাৱনক ৰাক্ষকৰ নামেৰে জনাজাত হ'ল, সৰ্বনাশ হ'ল। নিন্দাৰ পাত্ৰ হ'ল।

অন্য উদাহৰণ ঃ- আমি সকলোৱে ভস্মাসুৰৰ কথা শুনিছো। ভগৱান শিৱ (তমগুণ) ৰ ভক্তি ভস্মাগিৰিয়ে কৰিছিল। তেখেতে ১২ বছৰলৈকে শিৱৰ দূৱাৰৰ সন্মূখত ভৰি ওপৰত আৰু মূৰ তলত কৰি (শীৰ্ষাসন) ত ভক্তি তপস্যা কৰিছিল। এদিনাখন পাৰ্বতীয়ে কলে হে মহাদেৱ! আপুনিতো সমৰ্থৱান হয়। আপুনাৰ ভক্তই কি প্ৰাৰ্থনা কৰিছে ? তেখেতক প্ৰদান কৰক প্ৰভু। ভগৱান শিৱই ভস্মাগিৰিক সুধিলে, কোৱা ভক্ত তোমাক কি লাগে ? মই তোমাৰ সাধনাত অতি প্ৰসন্ন হৈছো। ভস্মাগিৰিয়ে প্ৰথমে বচন বদ্ধ হবলৈ অনুৰুধ কৰিলে। ভগৱান শিৱ বচনবদ্ধ হ'ল। তেতিয়া ভস্মাগিৰিয়ে কলে যে, আপোনাৰ ওচৰত থকা ভস্মাকন্ডা (ভস্মাকড়া) মোক প্ৰদান কৰক শিৱ প্ৰভূয়ে সেই ভস্মাকড়া ভস্মাগিৰিক প্ৰদান কৰিলে। কড়া হাতত পোৱাৰ লগে লগেই ভস্মাগিৰিয়ে শিৱক সাৱধান কৰি দিলে আৰু কলে তোমাক ভস্ম কৰি পাৰ্বতীক পত্নী বনাম। ইমানখিনি কৈ অভদ্ৰ আচৰনেৰে হাঁহিলে তথা শিৱক মাৰিবলৈ খেদি আহিল। ভগৱান শিৱই দুষ্টৰ উদ্দেশ্য বুজিব পাৰি পলালে। পিছে পিছে পূজাৰী আগে আগে ইষ্টদেব শিৱ (তমগুণ) দৌৰি আছিল।

চিন্তা কৰক ধৰ্মদাস! যদি আপোনাৰ দেৱ শিৱ অবিনাশী হ'লহেঁতেন মৃত্যুৰ ভয়ত পলাই

নগলহেঁতেন। আপুনি তেখেতক অবিনাশী বুলিও কৈছিল। আপুনি তেখেতক অন্তৰ্যামীওঁ কৈছিল। ভগৱান শিৱ অন্তৰ্যামী হোৱা হলে তাৰ মনৰ ভিতৰত ৰখা বেয়া ভাৱ জানিলেহেঁতেন। ইয়াতে প্ৰমানিত হ'ল যে, শিৱ অন্তৰ্যামীওঁ নহয়।

যেতিয়া ভগৱান শিৱই ভস্মাগিৰিৰ আগে আগে দৌৰি আত্মৰক্ষা বাবে পলায়ন কৰিছিল, তেতিয়া পৰমাত্মাক অন্তৰআত্মাৰ পৰা স্মৰণ কৰিছিল। তৎক্ষনাত "পৰম অক্ষৰ ব্ৰহ্মা" পাৰ্ৱতী ৰূপত ভস্মাগিৰিৰ সন্মূখত উপস্থিত হৈ কৈছিল হে ভস্মাগিৰি! আহা মোৰ ওচৰত বহা। ভস্মাগিৰি য়ে জানিছিল যে শিৱ তেওঁৰ নিকটত এতিয়া আহিব নোৱাৰে। সেই সকলো কাৰোকাৰ্য্য পাৰ্ৱতীক পাবলৈ ভস্মাগিৰিয়ে কৰিছিল। হে ধৰ্মদাস! আপুনি এই সকলো কথা জানে। পাৰ্বতীৰূপত পৰমাত্মাই ভস্মাগিৰিক গণ্ডহথ নাচ নচাই ভস্ম কৰিছিল। তমগুণ শিৱৰ পূজাৰী ভস্মাগিৰি নিজৰ দুষ্কৰ্মৰ বাবে ভস্মাসুৰ অৰ্থাৎ ভস্মা ৰাক্ষক বুলি অভিহিত হ'ল।

এইকাৰনে এই তিনি দেৱৰ পূজাৰীক ৰাক্ষস স্বভাৱ ধাৰন কৰা মনুষ্যত অধম দূখিত কৰ্ম কৰা মূৰ্খ বুলি কোৱা হয়।

**-ঃ হৰিদ্বাৰত সাধুসকলৰ নিৰ্মম হত্যা ঃ-**

৩. এতিয়া সতগুণী শ্ৰীবিষ্ণুৰ পূজাৰীসকলৰ কথা শুনাম। এসময়ত হৰিদ্বাৰত হৰকে পেডি নামৰ ঠাইত কুম্ভ মেলা হৈছিল। সেই উপলক্ষে তিনিওঁ গুণৰ উপাসক সকলে নিজৰ নিজৰ সমূহদায় একত্ৰিত হৈ দলে বলে কুম্ভমেলা লৈ গৈছিল। গিৰি, পুৰী, নাগা-নাথ সকল তমগুণ শিৱৰ উপাসনা কৰে তথা বৈষ্ণৱসকলে সতগুণী শ্ৰীবিষ্ণু ভগৱানৰ উপাসনা কৰে। হৰকেপেড়ীত প্ৰথমে স্নান কৰিবৰ বাবে নাগা আৰু বৈষ্ণৱ সমূদায়ত কাজিয়া হ'ল। প্ৰায় ২৫ হেজাৰ ত্ৰিগুণ (ৰজগুণ, ব্ৰহ্মা, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ) ৰ পূজাৰী কাজিয়া কৰি মৰিল নিৰ্মম হত্যা বা নৰসংহাৰ হ'ল। তৰোৱাল, ছুৰী, কটাৰীয়ে ইজনে সিজনক হত্যা কৰিলে। সূক্ষ্মবেদত কোৱা আছে যে, ঃ-

তীৰ তোপক তলৱাৰ কটাৰী, জমঘড় জোৰ বধাৱে হেঁ।
হৰ পেড়ী হৰহেত নহী জানা, ৱাহা জা তেজ চলাৱে হেঁ।।
কটৈ শীশ নহী দিল কৰুনা জগ মে সাধ কহাৱে হেঁ।
জৌ জন ইনকে দৰ্শনকো যাৱে, ওনকো ভী নৰক পঠাৱে হেঁ।।

হে ধৰ্মদাস! উপৰোক্ত সত্য ঘটনাসমূহৰ পৰা প্ৰমানিত হ'ল যে, ৰজগুণ ব্ৰহ্মা, সতগুণ বিশ্ণু তথা তমগুণ শিৱৰ পূজা কৰা সকল গীতা অধ্যায় ৭ শ্লোক ১২-১৫ ত ৰাক্ষস, স্বভাৱক ধাৰণ কৰা মনুষ্যত অধম দূখিত কৰ্ম কৰা মূৰ্খ বুলি কোৱা হয়।

পৰমেশ্বৰ জিন্দাৰ মূখকমলৰ পৰা উপৰুক্ত কথা শুনি ধৰ্মদাস মহাশয়ৰ মূৰ ফাটি যাওঁ নিচিনা হৈছিল। মূৰঘূৰনী আৰম্ভ হৈছিল। বৰ সাহস কৰি ধৰ্মদাসে কলে, হে প্ৰভূ! আপুনিতো মই অজ্ঞানীক জ্ঞানৰ চকু প্ৰদান কৰিলে, দাতা। উপৰোক্ত সৰ্ব কথা আমি শুনিছিলো আৰু পঢ়িছিলোঁ, কিন্ত কেতিয়াওঁ চিন্তাত অহা নাই যে আমি সকলো ভূল পথত পৰিচালিত হৈ আছোঁ। আপোনাক শ শ বাৰ ধন্যবাদ। আপুনিয়ে মোৰ নিচিনা পাপীক নৰকৰ পৰা উদ্ধাৰ কৰিলে প্ৰভূ।

প্ৰশ্ন-৪৭ ঃ- (ধৰ্মদাসৰ) - হে জিন্দা মহাত্মা আপুনি কলে আৰু গীতা অধ্যায় ৭ শ্লোক ১৮ ত মইওঁ একে কথা দেখা পালোঁ য'ত গীতা জ্ঞান দাতা ব্ৰহ্ময়ে নিজৰ সাধনাৰ দ্বাৰা হ'বলগিয়া গতিক অনুত্তম অৰ্থাৎ নিকিষ্ট বুলি কৈছে। সেই অনুত্তম কথাওঁ এনেকৈয়ে স্পষ্ট কৰিবলৈ কৃপা কৰে যেন। কিছু কথা প্ৰসংগৰে বুজাই দিয়ে যেন।

উত্তৰ ঃ- (জিন্দা বাবা বেশধাৰী কবীৰ পৰমেশ্বৰৰ) -

গীতা অধ্যায় ২ শ্লোক ১২ গীতা অধ্যায় ৪ শ্লোক ৫ তথা ৯ গীতা অধ্যায় ১০ শ্লোক ২ ত

গীতা জ্ঞানদাতা (ব্ৰহ্ম) য়ে কৈছে যে, হে অৰ্জুন! মোৰ আৰু তোমাৰ বহুত জন্ম হৈ গৈছে তুমি নাজানা মই জানোঁ। শ্ৰীমদভাগৱত গীতা অধ্যায় ১৫ শ্লোক ৪ত কৈছে যে, তত্বদৰ্শী সন্তৰ পৰা তত্বজ্ঞান প্ৰাপ্ত কৰি পৰমাত্মাৰ সেই পৰমপদৰ সন্ধান কৰিব লাগে, য'ত যোৱাৰ পিছত সাধক, উভতি এই সংসাৰলৈ পুনৰ নাহে। যি পৰমেশ্বৰৰ দ্বাৰা সংসাৰ ৰূপী বৃক্ষৰ প্ৰবৃতি বিস্তাৰ হয় অৰ্থাৎ যিজন পৰমেশ্বৰে সৰ্ব সংসাৰৰ উৎপত্তি কৰিছে। সেই পৰমেশ্বৰৰ ভক্তি কৰা। পুনৰ গীতা অধ্যায় ১৮ শ্লোক ৬২ ত গীতা জ্ঞান দাতাই কৈছে যে হে অৰ্জুন! তুমি সৰ্বভাৱেৰে সেই পৰমেশ্বৰৰ শৰনলৈ যোৱা সেই পৰমেশ্বৰৰ কৃপাই পৰমশান্তি তথা সনাতন পৰমধামৰ প্ৰাপ্ত হ'ব। হে ধৰ্মদাস! যেতিয়ালৈকে জন্ম মৃত্যু থাকিব তেতিয়ালৈকে পৰমশান্তি হ'ব নোৱাৰিব আৰু সনাতন পৰমধামো প্ৰাপ্ত নহয়। বাস্তৱত পৰমগতি তাক কোৱা হয়, য'ত জন্ম মৃত্যু সদায় সদায়ৰ বাবে সমাপ্ত হয় যিটো ব্ৰহ্ম সাধনাৰ দ্বাৰা কেতিয়াওঁ সম্ভৱ নহয়। এইকাৰনে গীতা অধ্যায় ৭ শ্লোক ১৮ ত গীতা জ্ঞানদাতাই কৈছে যে, যিসকল জ্ঞানী আত্মা আছে, মই বিবেচনা কৰোঁ তেওঁলোক বৰ ভাল। কিন্তু তেওঁলোক মোৰ অনুত্তম (বেয়া/নিকিষ্ট) গতিত লীন হয় কাৰন তেওঁলোকে মোৰ (ব্ৰহ্ম)ৰ ভক্তি কৰে। ব্ৰহ্ম সাধনাৰ ওঁ মন্ত্ৰ আছে। ইয়াৰ দ্বাৰা ব্ৰহ্ম লোক প্ৰাপ্ত হয়। গীতা অধ্যায় ৮ শ্লোক ১৬ত পুনৰ ঘূৰি এই সংসাৰত আহে। এইকাৰনে তেওঁলোকক পৰম শান্তি হব নোৱাৰে, সনাতন পৰমধাম প্ৰাপ্তও নহয়। বেদত বৰ্ণনা কৰা সাধনাৰে পৰমাত্মা প্ৰাপ্তি নহয়। কিন্তু কিছু সিদ্ধি অৱশ্যই হৈ যায়, যাৰ দ্বাৰা ঋষি মুনিসকলে চমৎকাৰ কৰি অন্য কাৰোবাৰ হানী কৰি প্ৰসিদ্ধ হৈ পৰে। অৱশেষত পাপৰ ভাগী হৈ চৌৰাষীলাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত কষ্ট উঠাই ফুৰে। এইকাৰনে ব্ৰহ্ম সাধনাৰে হবলগীয়া গতি অৰ্থাৎ উপলব্ধিও অনুত্তম (নিকিষ্ট) বুলি কোৱা হয়।

**-ঃ ঋষি চুনক দ্বাৰা মানধাতাৰ বিনাশৰ কথা ঃ-**

কথা প্ৰসঙ্গ ঃ- গীতা জ্ঞানদতা (ব্ৰহ্ম) য়ে গীতা অধ্যায় ৭ শ্লোক (১৬-১৭) ত কৈছে যে মোৰ ভক্তি চাৰি প্ৰকাৰৰ ভক্তই কৰে। (১) সাত্ত (সংকট নিৱাৰণৰ বাবে), (২) অৰ্থাৰ্থী (ধনলাভৰ বাবে), (৩) জিজ্ঞাসু (যিসকল জ্ঞান প্ৰাপ্ত কৰি বক্তা হৈ যায়) আৰু (৪) জ্ঞানী (কেৱল মোক্ষ প্ৰাপ্তিৰ বাবে ভক্তি কৰা সকল)। এই সকলোৰ ভিতৰত প্ৰথম তিনি প্ৰকাৰৰ ভক্তক এৰি চতুৰ্থ প্ৰকাৰৰ জ্ঞানী ভক্তক নিজৰ প্ৰিয় ভক্ত বুলি গীতাজ্ঞান দাতাই কৈছে।

জ্ঞানীভক্তৰ বিশেষতা ঃ- জ্ঞানী সেইজনক কোৱা হয় যি জনে বুজি পালে যে মনুষ্য জীৱন কেৱল মোক্ষ প্ৰাপ্তিৰ বাবেহে প্ৰাপ্ত হয়। তেওঁক এইটোওঁ জ্ঞান হৈ যায় যে পূৰ্ণ মোক্ষৰ বাবে কেৱল এক পৰমাত্মাৰ ভক্তি কৰিব লাগে। অন্য দেৱদেৱীক (ৰজগুণ ব্ৰহ্মা, সতগুণ বিষ্ণু আৰু তমগুণ শিৱ) ৰ ভক্তিৰ দ্বাৰা পূৰ্ণ মোক্ষ নহয়। সেই জ্ঞানী আত্মাক গীতা অধ্যায় ৪ শ্লোক ৩৪ তথা যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ ত বৰ্ণনা কৰা তত্বদৰ্শী সন্ত লগ নোপোৱাৰ কাৰনে তেওঁলোকে বেদৰ পৰা স্বয়ং নিস্কৰ্ষ উলিয়াই লৈ "ব্ৰহ্ম" সমৰ্থৱান পৰমাত্মা বুলি মানি লৈ, ওঁ ইয়াৰ ভক্তি কৰা মন্ত্ৰ হয়। এই সাধনাৰে ব্ৰহ্মলোক প্ৰাপ্ত হয়। এইটোৱে মোক্ষ বুলি মানি লয়।

জ্ঞানী আত্মাই পৰমাত্মা প্ৰাপ্তিৰ বাবে হঠযোগ কৰিলে। একে স্থানত বহি তপস্যা সাধনাওঁ কৰিলে আৰু ওঁ নামৰ জপ কৰিলে। যতনেকি বেদ বা গীতাত হঠযোগ কৰা কঠিন তপস্যা কৰাজনক মূৰ্খ দম্ভী তথা ৰাক্ষস বুলি কোৱা হয়। গীতা অধ্যায় ৩ শ্লোক ৪ৰ পৰা ৯ গীতা অধ্যায় ১৬ শ্লোক (১৭-২০) তথা গীতা অধ্যায় ১৭ শ্লোক (১-৬)। তেওঁলোকক হঠযোগ কৰাৰ প্ৰেৰনা কৰ পৰা হ'ল? শ্ৰীদেৱী পূৰাণ (গীতা প্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত সচিত্ৰ মোটা টাইপ) ৰ তৃতিয় স্কন্ধত লিখা আছে যে, ব্ৰহ্মাই নিজৰ পুত্ৰ নাৰদক কৈছিল যে, যেতিয়া মোৰ উৎপত্তি হৈছিল, মই কমল ফুলত বহিথকা পালোঁ। আকাশবানী হ'ল যে, তপ কৰা তপ কৰা। মই এহাজাৰ বছৰ লৈকে তপস্যা কৰিলোঁ।

হে ধৰ্মদাস! ব্ৰহ্মাই বেদ পিছত সমূদ্ৰ মন্থনত পাইছিল। তেখেতে বেদ পঢ়ি যজুৰ্বেদ অধ্যায় ৪০ ৰ মন্ত্ৰ ১৫ ত ওঁ নাম পালে। ওঁ নামৰ জাপ তথা আকাশবানীৰ দ্বাৰা শুনা হঠযোগ (কঠিন তপস্যা)

দুয়োকে মিলাই ব্ৰহ্মাই নিজে তপ কৰিবলৈ ধৰিলে আৰু নিজৰ সন্তানক (ঋষিক) কৰিবলৈ কৈ গ'ল। চাৰি বেদ তথা ইয়াৰে সাৰাংশ শ্ৰীমদভাগৱত গীতাত হঠ কৰি কঠিন তপস্যা কৰা সকলক ৰাক্ষস কুকৰ্মী, নৰাধম অথৱা নীচ ব্যক্তি বুলি কোৱা হৈছে। প্ৰমাণ গীতা অধ্যায় ১৬ শ্লোক (১৭-২০) তথা অধ্যায় ১৭ শ্লোক (১-৬)ত। সেই একে সাধনা জ্ঞানী আত্মা ঋষি-মুনিসকলে কৰিলে। সেই জ্ঞানী আত্মাসকলৰে এজন চূনক ঋষিৰ প্ৰসঙ্গ শুনাম যাৰ পৰা আপোনাৰ প্ৰশ্নৰ সঠিক উত্তৰ পাব। এজন চূনক নামৰ ঋষি আছিল। তেখেতে হেজাৰ হেজাৰ বছৰলৈ কঠিন তপস্যাসাধনা কৰিছিল তথা ওঁ নামৰ জঁপ কৰিছিল। এইটো ব্ৰহ্মৰ ভক্তি বা সাধনা হয়। ব্ৰহ্মএ প্ৰতিজ্ঞা কৰিছে যে মই কোনো সাধনা অথবা বেদত বৰ্ণনা কৰা সাধনা নে জঁপৰে, নে তপস্যাৰ দ্বাৰা কাকো মই দৰ্শন নিদিওঁ। গীতা অধ্যায় ১১ শ্লোক ৪৮ ত কোৱা আছে যে হে অৰ্জুন! তুমি মোৰ যি ৰূপক দৰ্শন কৰিলা অৰ্থাৎ মোৰ এই কাল ৰূপ দেখা পালা এইটো মোৰ স্বৰূপ হয়। এইটোৰূপ বেদত বৰ্ণিত বিধিৰে দেখা নাপায়, নতুবা কোনো ধৰনৰ জঁপ বা তপস্যাৰে নতুবা যজ্ঞ তথা কোনো ধৰনৰ ক্ৰিয়াৰে দেখা পোৱা নাযায়। গীতা জ্ঞানদাতায় গীতা অধ্যায় ৭ শ্লোক ২৪-২৫ ত স্পষ্ট কৰিছে যে, এইটো মোৰ অবিনাশী বিধান যাৰ বলত মই কাৰো দৃষ্টি গোচৰ নহওঁ, নিজৰ যোগমায়াৰ দ্বাৰা লুকাই থাকো। এই মূৰ্খলোকসকলে মোক মনুষ্য ৰূপ অৰ্থাৎ কৃষ্ণ ৰূপ ত মানি আছে। যি সৈন্যবাহিনী সম্মূখত আছিল, সেই ফালে সংকেত কৰি গীতা জ্ঞান দাতাই কৈছিল। কোৱাৰ অৰ্থ আছিল যে মই কেতিয়াওঁ কাকো দৰ্শন নিদিওঁ, এতিয়া তোমাৰ ওপৰত অনুগ্ৰহ কৰি মোৰ এইৰূপ দেখালোঁ।

ভাবাৰ্থ - বেদত বৰ্ণনা কৰা বিধিৰে তথা অন্য প্ৰচলিত ক্ৰিয়াৰে ব্ৰহ্ম প্ৰাপ্তি কৰিব নোৱাৰি । এই কাৰনে এই চূনক ঋষিক পৰমাত্মা প্ৰাপ্তি টো নহল সিদ্ধি প্ৰাপ্তি অৱশ্যেই হ'ল। এই সিদ্ধিৰ উপলব্ধিক ঋষিসকলে শেষ উপলব্ধি মানি ললে। যাৰ ওচৰত অধিক সিদ্ধি আছিল, তেওঁক অন্য ঋষিৰ পৰা শ্ৰেষ্ঠ বুলি পৰিগনিত হৈছিল। সেই উপলব্ধি চূনক ঋষিৰ প্ৰাপ্ত আছিল।

এজন মানধাতা চক্ৰৱতী ৰজা (যাৰ ৰাজ্য সম্পূৰ্ণ পৃথিৱীত থাকে, এনে শক্তিশালী ৰজা) আছিল। তেখেতৰ ৰাজ্যৰ সুৰক্ষাৰ বাবে ৭২ কোটি সেনা (অক্ষৌনী) আছিল। ৰজাই নিজৰ অধীনৰ ৰজাসকলক কৈছিল যে, যিসকলে মোৰ বশ্যতা স্বীকাৰ অথৱা পৰাধীনতা বুলি গন্য নকৰে তেখেত সকলে মোৰ লগত যুদ্ধ কৰিব লাগে। এটা ঘোঁৰাৰ ডিঙিত এখন ফলক চিঠি বাঁন্ধি উলমাই দিয়া হ'ল যে, যি সকল ৰজাক ৰজা মানধাতাৰ অধীনতা স্বীকাৰ নহয় তেখেতসকলে ঘোঁৰাক ধৰি বান্ধি ৰাখিব লাগে আৰু যুদ্ধৰ বাবে সাজু হওঁক। গোটেই পৃথিৱীত কোনো ৰজাই ঘোঁৰাক ধৰি বান্ধি নেৰাখিলে। ঘোঁৰাৰ লগে লগে কিছু সৈনিকো আছিল। উভতি আহোঁতে ঋষি চূনকে সুধিলে যে সৈনিকসকল! কলৈ গৈ ঘূৰি আহিছে ? উত্তৰ পালে যে সম্পূৰ্ণ পৃথিৱী ঘূৰি আহিছোঁ, কোনেওঁ ঘোঁৰাক ধৰি বান্ধি নাৰাখিলে। কোনেওঁ ৰজাৰ যুদ্ধ স্বীকাৰ নকৰিলে। ঋষিয়ে কলে যে, মই এই যুদ্ধ স্বীকাৰ কৰিলোঁ। সৈন্যবাহিনীৰ লোকসকলে কলে হে ভিখাৰী! তোমাৰ ওচৰত খাবলৈ ব্যৱস্থা নাই আৰু মহাৰজা মানধাতাৰ লগত যুদ্ধ কৰিবা ? ঋষি চূনকে ঘোঁৰাক ধৰি গছ এজোপাত বান্ধি ললে।

ঋষি চূনকে ঘোঁড়াটোক ৰচিৰে বান্ধিললে। মানধাতা ৰজাই গ'ম পাই যুদ্ধৰ কাৰনে সাজু হ'ল। ৰজাই ৭২ কুটি সেনাক চাৰি ভাগত ভাগ কৰিলে। ঋষি জনক আক্ৰমন কৰিবলৈ ১ ভাগ ১৮ কুটি সেনাক পঠিয়ালে। আনফালে ঋষিজনে নিজৰ সিদ্ধিৰ দ্বাৰা চাৰিটা পুতলা বনালে। এটা পুতলা এৰিলে ৰজাৰ ১৮ কুটি সেনাক নাশ কৰি পেলালে। ৰজাই দ্বিতীয় ভাগৰ সেনাক পঠিয়ালে। ঋষিয়ে দ্বিতীয় পুতলা এৰিলে আৰু ৰজাৰ ১৮ কুটি সেনাক নাশ কৰিলে। এইদৰে চূনক ঋষিয়ে ৰজা মানধাতাৰ ৭২ কুটি সেনাক চাৰিটা পুতলাৰে নাশ কৰি পেলালে। যাৰ কাৰনত ঋষি চূনকৰ মহিমা গোটেই পৃথিৱীত বিয়পি গ'ল। এই অনৰ্থৰ কাৰনে ঋষিক সৰ্বশ্ৰেষ্ঠ ঘোষিত হ'ল।

হে ধৰ্মদাস (জিন্দা ৰূপধাৰী পৰমাত্মা সকলে) ঋষি চূনকে যি সেনাক মাৰিলে এই পাপ কৰ্ম

ঋষিৰ সঞ্চিত কৰ্মত জমা হৈ গ'ল। ঋষি চূনকে যি ওঁ (ওঁম) এটা আখৰৰ জাপ কৰিলে তেওঁ তাৰ ফলত ব্ৰহ্মলোকত যাব। আকৌ নিজৰ ব্ৰহ্ম লোকৰ সুখ-ভোগ ব্যতিত কৰি পৃথিৱীত জন্ম গ্ৰহণ কৰিব। যি কঠোৰ যজ্ঞ তপ কৰিলে, তাৰ কাৰনে পৃথিৱীত ৰজা হব। আকৌ মৃত্যুৰ ওপৰান্ত কুকুৰ জন্ম হ'ব। যি ৭২ কুটি সেনাক মাৰিছিল তেওঁলোকে নিজৰ পৰিশোধ লব। কুকুৰৰ মাথাত ঘাঁ হ'ব তাত পুক হৈ ৭২ কোটী সেনাই নিজৰ পৰিশোধ লব। কুকুৰৰ মাথাত ঘা হব আৰু তাত পুক হৈ ৭২ কোটী সেনাই নিজৰ পৰিশোধ লব। সেইকাৰনে হে ধৰ্মদাস গীতা জ্ঞান দাতা (ব্ৰহ্ম) ই নিজৰ সাধনাৰ পৰা হব লগীয়া গতি/মানে মুক্তিক অনুত্তম (Bad) কৈছে।

"শাস্ত্ৰ অনুকুল ভক্তি সাধনাৰ দ্বাৰা হল ভকতৰ লাভ"
"পৰমাত্মাই দিলে জীৱন দান"

মই ভকত বিশম্বৰ দাস গাওঁ গিতৌৰ, জিলা ভিণ্ড, মধ্য প্ৰদেশৰ নিবাসী হওঁ। মই সদগুৰু ৰামপাল জী মহাৰাজৰ শৰনত দুবছৰধৰি দিক্ষিত হৈ আছো। মোৰ ছোৱালী 'সাধনা' এমাহ ধৰি বহুত গম্ভিৰ অসূখত ভোগীছিল। তাইৰ পেটত গেচ হৈ গৈছিল। যাৰ ফলত পেট বাৰে বাৰে ফুলি গৈছিল তথা ভৰি আৰু মূৰত একেৰাহে বিষ হৈছিল। কেইবা বাৰ গেচ ডিঙিত আৱদ্ধ হৈ গৈছিল। আকৌ এবাৰতো ইমানে ডিঙি আৱদ্ধ হৈ গল যে প্ৰায় আঠদিন ভাত-পানীও খাব নোৱাৰিলে। মই ছোৱালীৰ চিকিৎসা ড০ মহেশ্বৰ ওচৰত কৰালো যি জন গোৱালিয়ৰ এজন ডাঙৰ ডক্টৰ হয়। পাঁচ দিন ধৰি মোৰ ছোৱালীজনী হাস্পাতালত চিকিৎসাধীন হৈ আছিল, কিন্ত তাই এক শতাংশও আৰাম নাপালে। আকৌ মই মোৰ ছোৱালীক গুৱালিয়ৰত অন্য এজন ড০ PC Jain ৰ ওচৰত লৈ গলো। তিনি দিন লৈকে মোৰ ছোৱালীজনী তাত ভৰ্তি আছিল। তাইৰ বমি ডিচেন্ট্ৰী, পেট-বিষ, মূৰ-বিষ আদি বেছিকৈ হবলৈ ধৰিল। তাই তিনি দিনলৈকে একো খোৱাবোৱা নকৰিলে।

আমাৰ সকলো পৰিয়ালে ছোৱালীৰ গম্ভিৰ পৰিস্থিতি চাই কান্দবলৈ ধৰিলে। মই কান্দি কান্দি নিজৰ ভগৱান সদগুৰু ৰামপাল জী মহাৰাজক মনত স্মৰণ কৰিলো। আকৌ ৰাতি প্ৰায় ১২ মান বজাত সদগুৰু ৰামপালজী মহাৰাজে মোৰ ছোৱালীক দৰ্শন দিলে আৰু কলে পুত্ৰী, আজিৰ পৰা তোমাৰ শৰিৰত একো ৰুগ নাথাকিব। এইখিনি কোৱা লগে লগে ছোৱালীজনীয়ে গুৰুদেৱক দণ্ডৱত প্ৰনাম কৰিলে। আৰু সেই সময়তে মোৰ ছোৱালীয়ে সন্ধ্যা আৰতি গাবলৈ ধৰিলে। এই লিলা চাই হস্পিতেলৰ সকলো ষ্টাফ একত্ৰিত হল আৰু ভগৱানৰ এই লীলা চাবলৈ ধৰিলে ইমান অসীম কৃপা আপোনাৰ গুৰুদেৱৰ। পিছদিনাখন ৰাতিপুৱা ৯.৩০ বজাত ডক্টৰ আহি ছোৱালীক চিকিৎসা কৰিলে, চিকিৎসা কৰা পাছত ডক্টৰজন আচৰিত হল ছোৱালীজনীতো ৰাতিয়ে মৰি যাব লগিয়া আছিল কিন্ত ছোৱালীজনীৰ শৰীৰত নাম মাত্ৰও বেমাৰ নাই। এই বিলাক চাই গোটেই হস্পিতেলত চৰ্চাৰ বিষয় হয় গ'ল। আজি মোৰ ছোৱালী এশ শতাংশ সুস্থ আছে ভাল ধৰনে খোৱা-বোৱা কৰিছে আৰু তাইৰ শৰীৰত কোনো ধৰনৰ ৰুগ নাই।

এই সকলো বিলাক সদগুৰু ৰামপালজী মহাৰাজৰ কৃপাত হৈছে, যিজন পৰমেশ্বৰ কবীৰ চাহাবৰে স্বৰূপ হয়। এই পৃথিৱীত যেতিয়ালৈকে উশানিশা চলি থাকিব আমি আমাৰ সদগুৰু ৰামপালজী মহাৰাজৰ লিলাৰ গুণগান গাই থাকিম।

সৎ চাহেব
ভক্ত বিশ্বম্বৰ দাস
খণ্ড গিতৌৰ মহকুমা মহগাওঁ
জিলা, ভিণ্ড (M.P.)

"অশান্তিৰ পৰিয়ালত শান্তি"

মই ভকত ৰমেশ পুত্ৰ শ্ৰী উমেশ সিং, গাওঁ পেটৱাড়, মহকুমা-হাঁসী, জিলা-হিসাৰৰ নিবাসী। বৰ্তমান এমপ্লয়িজ কলনী, জিন্দত সপৰিয়ালে বসবাস কৰো। নাম উপদেশ লোৱাৰ আগতে মই ভুতৰ পূজা কৰিছিলো। আমাৰ গাওঁত বাবা সৰিয়াৰ মান্যতা আছিল য'ত আমি প্ৰত্যেক মাহৰ পূৰ্ণিমাত বন্তি প্ৰজ্জলন কৰিবলৈ গৈছিলো। আমি শুক্ৰবাৰ, জন্মাষ্টমী, শিৱৰাত্ৰীৰ ব্ৰতো কৰিছিলো। পিত্ৰৰ পিণ্ডদান আৰু শ্ৰাদ্ধ কৰ্মও কৰিছিলো। তথাপিও আমাৰ ঘৰখন অশান্তি হৈছিল। যেতিয়া মোৰ বয়স ১২ বছৰ আছিল তেতিয়াই মোৰ দেউতাৰ মৃত্যু হৈছিল। ঘৰত তিনিজন সদস্য আছিলো। তিনিওৰ মাজত হায় কাজিয়া হৈছিল। তিনিওজনক ভূত প্ৰেতে দূখী কৰিছিল, আৰু তিনিওজনে বেমাৰত ভূগিছিলো। প্ৰথমে ডাক্তৰত দেখোৱাইছিলো কিন্ত একো আৰাম নহল। পিছত বেজৰ ওচৰত গলো। কোনোবাই কৈছিল ৫০০০ টকা দিয়া মই তোমালোকক ভাল কৰি দিম। কোনোবাই কৈছিল ১০০০০ টকা দি দিয়া ভাল কৰি দিম। আমি একেবাৰে থানবান হৈ গৈছিলো। কিন্ত কোনো আৰাম নহল। মোৰ সম্বন্ধীয় ভক্ত ৰঘূবীৰ সিং গাওঁ কোথকলাংৰ বাৰে বাৰে কোৱাত মোৰ মাঁয়ে চন ১৯৯৬ ত সন্ত ৰামপাল জী মহাৰাজৰ ওচৰত নাম দিক্ষা গ্ৰহণ কৰিলে। মোৰ পত্নীৰ বিয়াৰ পাঁচ বছৰৰ পাছতো কোনো সন্তান হোৱা নাছিল। মোৰ মায়ে কোৱাত মোৰ পত্নীৰেও সন্ত ৰামপালজী মহাৰাজৰ ওচৰত নাম দিক্ষা ললে। নাম দিক্ষা লোৱাৰ লগে লগে ১ বছৰৰ ভিতৰত এটী সন্তান্বক জন্ম দিলে। মোৰ ভগৱানৰ প্ৰতি বিশ্বাসে উঠি গৈছিল। এই কাৰনে মই নাম দিক্ষা নললো তথা মোৰ পত্নী আৰু মাঁক সন্তজনৰ ওচৰত যাবলৈ বাধা দিছিলো। মোৰ ল'ৰা যিজন মাত্ৰ পোন্ধৰ দিনৰ আছিল, বহুত বেছি বেমাৰ হৈ গ'ল। ডক্টৰে কৈছিল ৰাতিপূৱালৈকে লৰাটো মৃত্যু হৈ যাব, ইয়াক লৈ যোৱা। গধুলী এজন ভকতে সদগুৰু ৰামপালজীৰ বিষয়ে কলে, আশ্ৰম জিন্দত আছে। তেওঁ পূৰ্ণ সন্ত হয় আৰু তেওঁৱে এই লৰাটোক ভাল কৰিব পাৰিব। আমি ডাক্তৰ আৰু বেজৰ ওচৰত গৈ গৈ ভাগৰি গৈছিলো। মোৰ ভগৱানৰ প্ৰতি বিশ্বাস উঠি গৈছিল। মই সেই ভকত জনক মানা কৰি দিলো। কিন্ত তেওঁ পুনৰ প্ৰাৰ্থনা কৰিলে যে তেওঁ স্বয়ং বন্দিচৌড় পৰমেশ্বৰ এই পৃথিৱীত আহিছে। যদি তেওঁ দয়া কৰে তেন্তে এই লৰাজন সুস্থ হৈ যাব। সেই ভকতজনৰ ইমান দৃঢ়তাৰে কোৱা দেখি মই মোৰ মাতৃক অনুমতি দিলো। মোৰ মাতৃয়ে লৰাক লৈ সন্ত ৰামপালজী মহাৰাজৰ শৰনত থৈ দিলে আৰু কান্দি কান্দি প্ৰাৰ্থনা কৰিলে! মহাৰাজ এই কেচুৱা প্ৰায় মৃত্যু হৈ গৈছে। এতিয়া আপুনিয়ে ভাল কৰিব পাৰিব। তেতিয়া বন্দিছোড় সদগুৰু ৰামপালজী মহাৰাজে কলে যে কবীৰ পৰমেশ্বৰৰ দয়াত এই কেচুৱাজন ঠিক হৈ যাব। পিচ দিনাখন লৰাজন মৰিব লগিয়া আছিল সি সুস্থ হৈ গ'ল। কোৱা মুক্তিদাতা সদগুৰু ৰামপাল গুৰু মহাৰাজৰ জয়।

আমাৰ অশান্তি হোৱা ঘৰলৈ মুক্তিদাতা সদগুৰু ৰামপাল দাস মহাৰাজৰ কৃপাত পুনৰাই শান্তি আহিল। ইমান চমৎকাৰ দেখা পাইয়ো মই পাপ কৰ্মৰ কাৰণে নাম উপদেশ লোৱা নাই আৰু পূৰ্বৰ পূজা তথা ভূত প্ৰেতৰ পূজা কৰি আছিলো। আমাৰ ঘৰত মুক্তিদাতা গৰীব দাস মহাৰাজৰ বাণীৰ পাঠ সন্ত ৰামপাল দাস মহাৰাজে কৰিছিল আৰু মই বাহিৰত মদ্যপান কৰিছিলো। আকৌ এবছৰ পিছত আমাৰ ঘৰত পাঠ প্ৰকাশ যজ্ঞ হৈ আছিল তেতিয়া সন্ধিয়া মুক্তিদাতা ৰামপাল দাস মহাৰাজে সৎসঙ্গ কৰিলে। তেতিয়া মই সৎসঙ্গ শুনিলো আৰু নাম দীক্ষাও ললো। আমাৰ মায়ে কাৰোৱাৰ উচুটনিত নাম খণ্ডন কৰিলে। কিছু দিনৰ পিছত ২০০০ চনত মোৰ মাৰ হঠাৎ ভৰিত জ্বলন হবলৈ ধৰিলে। ডাক্তৰক দেখুৱালো, তেখেতে কলে যে এওঁৰ ব্লাড কেন্সাৰ হৈছে। এওঁ দহ পোন্ধৰ দিনৰ পিছত মৃত্যু হব। যদি পি.জি.আই. চণ্ডিগড়লৈ যোৱা তাত ডেৰলাখ টকা খৰচ হব আৰু অতি বেচি এবছৰলৈ বাচি থাকিব পাৰিব। কিন্তু বিষ কম নহব। মুক্তিদাতা সদগুৰু ৰামপাল গুৰুমহাৰাজে কলে যে আপোনাৰ মাতৃয়ে নাম খণ্ডন কৰিছে। যেনেকুৱা লাইটৰ বিল নিদিলে আৰু কানেকশন কাটি গলে বিদ্যুৎ পোৱা লাভ বন্ধ হৈ যায়। তাক আকৌ বিল পৰিশোধ কৰি পূনৰ সংযোগ কৰাব লাগে। মোৰ মায়ে তেওঁৰ ভূলৰ ক্ষমা

বিচাৰিলে। মহাৰাজে পুনৰাই নাম উপদেশ দিলে আৰু মুৰৰ ওপৰত হাত থৈ আশিৰ্বাদ দিলে। মূৰৰ ওপৰত হাত ৰখা মাত্ৰেই ভৰিৰ জ্বলন আৰু বিষ বন্ধ হৈ গল। আকৌ প্ৰায় দুই বছৰৰ পিছত দাঁতৰ আলুৰ পৰা তেজ ওলাবলৈ ধৰিলে। ডাক্তৰে ঔষধ লগাই দিলে, কিন্তু তেজ ওলোৱা বন্ধ নহল। পিছত ডাক্তৰে তেওঁৰ বেমাৰ চালে আৰু কলে যে তেওঁৰ ব্লাড কেন্সাৰ হৈছে আৰু এতিয়া সেইটো ফুটিছে। এতিয়া এওঁ ঠিক নহব। এওঁক ঘৰলৈ লৈ যাওক। এই তেজ ওলাই থাকিলে ২ দিনৰ ভিতৰত মৃত্যু হব। আকৌ ২ দিন পিছত পেচাব আৰু পাইখানাৰ লগত তেজ ওলাবলৈ ধৰিলে। তেতিয়া মই ফোন কৰি সদগুৰু ৰামপাল মহাৰাজক কলো যে ডাক্তৰে কৈছে এওঁৰ দুই দিনৰ পিছত মৃত্যু হব। তেতিয়া সদগুৰু ৰামপাল মহাৰাজে কলে যে মুক্তিদাতাই যি কৰিব ঠিকেই কৰিব। পিছত পিচদিনা ২ বজাত যমদূতে তেওঁক নিবলৈ আহিল। মোৰ মাতৃয়ে কলে যে তোমাৰ দেউতাই (যি দহ বছৰ আগেয়ে মৃত্যু হৈছে) মোক নিবলৈ আহিছে। ইয়াকে কৈ যমদূতে মাৰ শৰীৰত প্ৰৱেশ কৰিলে আৰু কবলৈ ধৰিলে মই এওঁক লৈ যাম, এওঁৰ সময় সম্পূৰ্ণ হল। মোক চাহ দিয়া। তেতিয়া আমি তেওঁৰ বাবে চাহ কৰিবলৈ লৈছিলো, ইমানতে সেই যমদূতে কবলৈ ধৰিলে জানানে তোমালোকৰ ঘৰত কিমান ডাঙৰ শক্তি আছে, তেওঁ মোক কোৱাই আছে, মই আৰু থাকিব নোৱাৰো, মোক সোনকালে চাহ খুওৱা, মই যাওঁ বুলি চাহ খাই আঁতৰিল। যোৱাৰ আগত কলে যে তোমাৰ ঘৰত পূৰ্ণ পৰমাত্মা থিয় হৈ আছে। মই এওঁক লৈ যাব নোৱাৰো, ইয়াকে কৈ তেওঁ গুচি গল। এক মিনিটৰ পিছত তেজ ওলোৱা বন্ধ হৈ গল, জিভা আৰু দাঁত কলা পৰি গৈছিল, একেবাৰে পৰিস্কাৰ হৈ গল। মুক্তিদাতা সদগুৰু ৰামপাল গুৰু মহাৰাজৰ কৃপাত তেওঁ পূৰ্ণৰূপে সুস্থ হল। পৰমাত্মা কবীৰ পৰমেশ্বৰে মোৰ মাক পাঁচ বছৰ আয়ু বঢ়াই দিলে। ২৪ জুলাই ২০০৫ চনলৈকে সত্য ভক্তি কৰি সৎলোকলৈ প্ৰস্থান কৰিলে। কওকচোন বন্দি ছোৰ় সৎগুৰু ৰামপালজী মহাৰাজৰ জয়। সৎ চাহেব।

ভক্ত ৰমেশ দাস

মোবাইল নং- ৭৪০৪৪৩৮০০০

**ভকত দীপক দাসৰ পৰিয়ালৰ আত্ম কথা**

বন্দী ছোৰ় সতগুৰু ৰামপাল মহাৰাজৰ দয়া।।

দাস দীপক শ্ৰীবলজীত সিংহ গাওঁ মহলানা, জিলা সুনিপত হাৰিয়ানা। আমি তিনি পুৰুষৰ পৰা ৰাধাস্বামী পন্থা ডেৰা বাবা জেমল সিংহৰ পৰা দীক্ষা ৰাধা স্বামী পন্থাত নাম উপদেশ লৈ আহিছো। তাৰ পিছত মোৰ পিতৃ মাতৃয়ে দীক্ষা প্ৰাপ্ত কৰি তেওঁক পূৰ্ণ মহা পুৰুষ বুলি আৰু এই সংসাৰত ভগৱানক প্ৰাপ্ত কৰা শ্ৰেষ্ঠ মাৰ্গ হিচাবে তন, মন, ধন একাকাৰে ভক্তি, সাধানাত বৰ্তি হলো। এই পন্থাত বিশাল সৎসঙ্গ জনসমূহ দেখি আকৰ্ষিত হৈ সৎসংগত সেৱা, শুশ্ৰষাৰ বাবে ডেৰা বাবা (জয়মল সিংহ ব্যাস (পঞ্জাৱ আৰু ছতপুৰ পুসা ৰড দিল্লীত যাও। ইয়াত বয়সৰ ওপৰত দীক্ষা দিয়াৰ বাবে মই নাম দীক্ষা পৰা বিৰত আছিলো।

যি দিনা মোৰ পিতৃ-মাতৃয়ে নাম দীক্ষা গ্ৰহণ কৰিছিলে সেই দিনা মোৰ সৰু ভাই (৫ বছৰ বয়স) হাতেৰে ওচৰৰে লগৰীয়া চকুত কিবা বস্তু নজনাকৈ লাগিলে। পিতৃ-মাতৃয়ে নাম দীক্ষা লৈ ঘৰত অহা পাছতে চুবুৰিয়া লগত আমাৰ শত্ৰুতা ভাব হৈ উঠিল কাৰণ লগৰীয়াৰ চকুত জানি বুজি আঘাত দিছে বুলি মত বিৰোধ হল আৰু সেই দিনাৰ পৰা আমাৰ পৰিয়ালৰ ওপৰত দুখৰ পাহাৰ ভাঙি পৰিল।

তেনে সময়তে মোৰ ককা দেউতা মৃত্যু হয়। আইতা(বাইছা) ককাদেউতা মৃত্যুৰ ১২ বছৰ আগতে মৃত্যু হৈছিল আইতায়ে মোৰ পেহি (এপাইদেউ) দেহত প্ৰৱেশ কৰি কবলৈ ধৰিলে (আইতায়ে জীৱিত অৱস্থাত ৰাধাস্বামী পন্থৰ পৰা প্ৰাপ্ত পাঁচ নামৰ ভক্তি সাধনা অশেষ যত্নৰে কৰিছিল। ৰাতিপুৱা তিনিটা বজাত আৰু দিনৰ অনেক সময় নাম স্মৰণ অভ্যাস কৰিছিল যি ভক্তি, সাধনা ৰাধাস্বামী

ব্যৱস্থাত কৰিব আদেশ আছিল) তোমালোকৰ ককাদেউতাৰ জীৱন শেষ হল, সেই কাৰণে মই তোমালোকক তত্বাৱধান কৰিবৰ বাবে আহিছো। আইতায়ে কাঁহি কাঁহি কয়। আইতাৰ মৃত্যুৰ আগতে কাহি থকা ৰোগ আছিল। তেতিয়া আমি কলো আইতা আপুনি বহুত দুখী হৈ আছে, সৎলোককৈ নগল নেকি ? আইতায়ে কলে বোপাই ভূল সাধনা, ভক্তি কৰি মানুহৰ অমূল্য জীৱন নষ্ট কৰিলো। মৃত্যুৰ পাছত ভূত যোনিত কষ্ট ওপৰত কষ্ট ভোগিছো মই কোনো সৎলোককৈ যোৱা নাই। তেতিয়া মোৰ মাতৃয়ে আচাৰ্য্যভাৱে সুধিলে আপোনাক গুৰু চৰণ সিংহে সহায় নকৰিলে নেকি ? আইতায়ে অত্যন্ত দুখেৰে কলে তেওঁ মোক একো সহায় সহানুভুতি নকৰিলে। মই আজিও বহুত দুখত আছো।

এই ঘটনা ১ বছৰ পাছত অন্য এগৰাকী পেহি (এপাইদেউ) কমলা দেবী দেহত ককাদেউতা প্ৰৱেশ কৰি কলে মই বহুত দুখি আৰু মোৰ কোনো গতি নহল, মই স্নান কৰিব বিছাৰো। এই কথা শুনি মোৰ মাতৃয়ে আচৰ্য্য হৈ কলে আপুনি সৎলোককৈ যোৱা প্ৰাণী, তাত গা-ধুবলৈ পানী নাই নেকি ? ককাদেউতায়ে কোনো উত্তৰ নিদিলে। মাতৃয়ে পানীৰে ককাদেউতাক (যি নেকি কমলা দেবী, পেহি (এপাইদেউ)ৰ দেহত ভূত ৰূপে আছে) গাধুৱাব ললে, তেতিয়া ককাদেউতাই কলে পুত্ৰী মই নিজে গা-ধুম, মাতৃয়ে এখন বস্ত্ৰ (কাপোৰ) দিলে পেহি (এপাইদেউয়ে) পৰিধান কৰা বস্ত্ৰ। তেতিয়া ককাদেউতায়ে পেহি (এপাইদেউ) দেহত কলে পুত্ৰি মোৰ ধুতি খন আনা। মাতৃয়ে তেওঁক কাপোৰ এখন হাতত দিলে, যিখন পেহি (এপাইদেউয়ে) পৰিধান কৰি থকা ওপৰতে মেৰিয়াই লয়। সোনকালে আৰু চাহ বনাব কলে। মই ককাদেউতাক সুধিলো আপুনি সৎলোককৈ নগল নেকি? মাতৃয়ে কলে আপুনি ৰাধাস্বামী সন্ত চৰণ সিংহ মহাৰাজৰ পৰা নাম উপদেশ প্ৰাপ্ত। ইমান ভক্তি কৰিছিলে, তেওঁলোকে আপোনাক সহায় নকৰিলে নেকি ? পেহি (এপাইদেউ) দেহত প্ৰৱেশ ককাদেউতা প্ৰেতাত্মায়ে কলে তেওঁলোকে কোনো সহায় কৰা নাই। মই মৃত্যু পাচৰে পৰা বহুত কষ্ট ভোগীছো।

সেই সময়ত মোৰ চকু দৃষ্টি শক্তি একে বাৰে কম হল বাৰে বাৰে চশমা সলনি কৰিলো। পঢ়া বাবে মই এজন বন্ধুৰ ওচৰত যাওঁ। তাত ভকত সন্তৰামে মোক পূৰ্ণ ব্ৰহ্ম অৱতাৰ সৎগুৰু ৰামপাল মহাৰাজৰ মহিমা বৰ্ণনা কৰি কলে তুমি যদি সৎগুৰু ৰামপাল মহাৰাজাৰ পৰা নাম দীক্ষা লোৱা তোমাৰ চকু দৃষ্টি ভাল হব। আমাৰ দুখ কষ্ট সাগৰ পৰা উদ্ধাৰ কাৰণে পৰমেশ্বৰ কবীৰ চাহেব সন্ত ৰামপাল মহাৰাজ ৰূপত আহিছে। মই কলো মোৰ পৰিয়ালে ৰাধা স্বামী পন্থাৰ পৰা নাম দীক্ষা লোৱা আছে।

ভকত সন্তৰামে কলে সেই পন্থা পূৰ্ণ নহয়। তাৰ ভক্তি সাধনাৰে সৎলোককৈ যাব নোৱাৰে আৰু জীৱনত কেতিয়াও সুখ-শান্তি, কৰ্ম বন্ধন শেষ নহয়। এই সকলো মাত্ৰ কবীৰ চাহেবৰ প্ৰতিনিধি পূৰ্ণ সন্তয়ে কৰিব পাৰে। মোৰ পিতৃ শ্বাস ৰোগৰ হোৱা কাৰেণ অলপ খোজ ললেই তেওঁ ভাগৰিছিল আৰু দম ফুলি যায়। কম আৰু বেছি তেজৰ প্ৰেচাৰে গ্ৰস্ত আছিল। ইলেকশন দায়িত্বৰ সময়ত হৃদয় বাধক বেমাৰ হোৱা স্বত্তেও কৰ্ম সংস্কাৰ বলত মৃত্যুৰ পৰা ৰক্ষা পালে। আমি ভাৱিছিলো ৰাধা স্বামী পন্থা সন্ত গুৰবিন্দ সিংহে ৰক্ষা কৰিলে।

তাৰ পাছৰ পৰা ঠাণ্ডাৰ দিনৰ প্ৰতি ৰাতি পিতৃৰ স্বাশ-প্ৰস্বাশত ভিষণ কষ্ট হব ধৰিল। প্ৰায় মৃত দৰে হৈ পৰে আমি কন্দাৰ বাদে একো কৰিব নোৱাৰিছিলো। কাৰণ ঔষধ পৰিমাণ ডাক্তৰে বঢ়াই চালে ইয়াত কৈ আৰু নোৱাৰে। মোৰ মাতৃয়ে ৰাধা স্বামী পন্থা, জেমল সিংহৰ পৰা অনা প্ৰসাদ খুৱালে আৰু সন্ত গুৰুবিন্দ সিংহ মহাৰাজৰ মুৰ্ত্তিৰ আগত বহি প্ৰাৰ্থনা কৰি কান্দিছিল। সেই সময়তে মোৰ ভাইৰ দেহত প্ৰেত প্ৰকোপ দেখা গ'ল। ৰাতি শুৱাৰ পৰা হঠাথতে উঠি বহি পৰে আৰু কয় কোনোৱে ভৰি টানি আছে শুবলৈ নিদিয়ে। ভাইয়ো বেমাৰত ভূগিব লাগিল। পূৰ্ণ ব্ৰহ্ম কবীৰ (চাহাব) পৰমেশ্বৰ কৃপাত ৮ অক্টোবৰ ১৯৯৮ চনত তত্ত্বদৰ্শী সন্ত ৰামপাল মহাৰাজৰ পৰা নাম দীক্ষা প্ৰাপ্ত কৰিলো। সৎগুৰু ৰামপাল মহাৰাজৰ অসীম কৃপায়ে বীশ (২০) দিনৰ পাচতে চশমা প্ৰায়োজন নোহোৱা হল

আৰু ঔষধ গ্ৰহণ নকৰা হলো। মোৰ সৎগুৰু দেৱৰ ওপৰত সম্পূৰ্ণ বিশ্বাস হল। ভকত সন্তৰামে ঘৰলৈ আহি পিতৃ-মাতৃক বুজাব চেষ্টা কৰি কলে পূৰ্ণ ব্ৰহ্ম কবীৰ চাহেবৰ প্ৰতিনিধি পূৰ্ণ সন্ত ৰামপাল মহাৰজ ওচৰত নাম দীক্ষা ললে আপোনালোকৰ সকলো কষ্ট নিবাৰণ হব।

তাৰ পিচত মইয়ো পিতৃ-মাতৃক বুজাব লাগিলো। পিতৃ-মাতৃয়ে কলে আমি প্ৰথমে ৰাধাস্বামী পন্থাত আৰু এতিয়া সন্ত ৰামপাল মহাৰাজৰ পৰা নাম দীক্ষা ললে সংসাৰী লোকে কি কব ? আমি কলো এজন ডাক্তৰে ৰোগ নিৰাময় কৰিব নোৱাৰিলে অন্য ডাক্তৰৰ ওচৰত নেজাম কিয় ? বহুত দুখী হৈ থকা বাবে ৰাধা স্বামী পন্থাক ত্যাগ কৰি পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰৰ চৰণত আহিলে। সৎগুৰু কবীৰ চাহেবে কয় শৰণ পড়ে কৌ গুৰু সম্ভালে জানকে বালক ভৌলা ৰে। পৰিয়ালৰ সকলোবে তত্বদৰ্শী সন্ত ৰামপাল মহাৰাজৰ শৰণত নাম দীক্ষা লোৱা লগে লগে আমাৰ জীৱন অমূল পৰিৱৰ্ত্তন ঘটিল। সকলো দুখ আতৰিল সুখ শান্তি বিৰাজ হল। যি ৰোগ (অসুখ) আছিল ভাই আৰু পিতৃ নিজে ভাল হল। দেউতা দুই খোজ যাব নোৱাৰা ব্যাক্তিয়ে এতিয়া অন্য এজনৰ লগ লাগি চেনিৰ বস্তা দাঙিব পাৰে। আজি আমাৰ পৰিয়ালৰ সকলোৰে পৰমাত্মা অৱতাৰ সৎগুৰু ৰামপাল মহাৰাজৰ চৰণত তেওঁৰ কৃপাতে সম্পূৰ্ণ সুখি।

কিন্তু আমাৰ পূৰ্বজ ককাদেউতা, আইতা সকলৰ মানৱ জীৱন অথলে গল। কোনো ব্যক্তিক ৰোগৰ পৰা ৰক্ষা কাৰণে লাখ, কড়ৌৰ টকা খৰচ হয় আৰু তেওঁ যদি ৰোগৰ পৰা (মৃত্যু পৰা) আৰোগ্য হয় তেন্তে খৰছ কৰা ধনৰ অনুভৱ নহয়। কাৰণ তেওঁ তাৰ পৰা সকাহ পালে। আজি আমি যিমানেই ধন সম্পদ খৰচ কৰো আমাৰ পূৰ্বজ ককাদেউতা আৰু আইতাৰ জীৱন যি নেকি শাস্ত্ৰ বিপৰীত সাধনা (ৰাধাস্বামী মাৰ্গত প্ৰদান কৰা পাঁচ নামৰ সাধনা) কৰি অমূল্য জীৱন ব্যৰ্থ কৰিলে (ভূত, প্ৰেতমা যোনিত মহা কষ্ট ভুগিছে) তেওঁলোকক কেনেদৰে উদ্ধাৰ হব। মানৱ জীৱনৰ লগত ঘৃণনীয় খেলা কৰি নকলি গুৰু, সন্তই, পন্থা বনাই সমাজক ভ্ৰমিত কৰিছে। মানৱ জীৱন (চৌৰাষী লাখ যোনি ভোগ কৰাৰ পাচত এক মানৱ জীৱন পায়। যাৰ উদেশ্য মাত্ৰ পৰমাত্মা প্ৰাপ্তী। এনে অমুল্য জীৱন, সোনালি সুযোগ অজ্ঞানী সন্ত, গুৰুৱে, পূৰ্বৰে পৰা নষ্ট কৰি আহিছে। এনে ক্ষতি কোনো মূল্যই পুৰা কৰিব নোৱাৰি।।

হে বন্দীছৌড় মুক্তিদাতা, সত্য পুৰুষ ৰূপত সৎগুৰু ৰামপাল মহাৰাজে বিশেষ কৃপা কৰিলে। ক্ষুদ্ৰ জীৱক নিজৰ সত্য জ্ঞান দি নিজৰ চৰণত স্থান দিলে, নহলে আমিও পূৰ্বজ দৰে শাস্ত্ৰ বিপৰীত সাধনা ভক্তি কৰি অমুল্য মানৱ জীৱন নষ্ট কৰি ভূত, প্ৰেতৰ যোনিত গৈ সত্য ভক্তি পৰা আঁতৰী থাকিলোহেঁতেন।

সৰ্ববুদ্ধিজিৰী সমাজক প্ৰাৰ্থনা ও কাতৰ নিবেদন এইয়ে যে সময় থাকোতেই সত্য জ্ঞানৰ লগত অৱগত হৈ এই সত্য জ্ঞানক ভাল দৰে বুজি নিঃস্বাৰ্থ ভাবে নিৰ্ণয় কৰক। বন্দীছৌড় মুক্তি দাতা সৎগুৰু ৰামপাল মহাৰাজৰ চৰনত আহি সত্য ভক্তি গ্ৰহণ কৰি মানৱ জীৱন কল্যান কৰাওঁক।

।। সৎ চাহেব।।

সতগুৰু চৰণৰ দাস
ভকত দীপক দাস
মোবাইল- ০৮৫৭১৯৩০৯৩